# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 27-06-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - - - - - - - - -**

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে উত্তৰ পূৰ্বাঞ্চলত শান্তি বৰ্তাই ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু অঞ্চলটোৰ বিভিন্ন সমস্যা বিগত ১০ বছৰত সমাধান কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে অঞ্চলটোত শান্তি-শৃংখলা অব্যাহত থকাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিৰক্ষা বাহিনীৰ বিশেষ ক্ষমতা আইন পৰ্যায়ক্ৰমে বিভিন্ন ঠাইৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে। আজি সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দি তেওঁ কয় যে, জনসাধাৰণে এইবাৰ অনুধাৱন কৰিছে যে চৰকাৰেহে তেওঁলোকৰ আশা-আকাংক্ষা পূৰণ কৰিব পাৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, নতুন চৰকাৰে সংসদৰ পৰৱৰ্তী অধিৱেশনত প্ৰথমখন সাধাৰণ বাজেট দাখিল কৰিব। সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ দৃষ্টিকোণেৰে এই বাজেটখন প্ৰস্তুত কৰা হ'ব আৰু ক্ষিপ্ৰতাৰে এই বাজেটখনৰ বিভিন্ন সংশোধন কৰা হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, বিগত ১০ বছৰত দেশখন একাদশ স্থানৰ পৰা পঞ্চম বৃহৎ অৰ্থনীতিৰ দেশলৈ পৰিগণিত হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ সংঘাত আৰু মহামাৰীৰ সত্বেও ভাৰতে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। তেওঁ কয় যে, চৰকাৰে ভাৰতক বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতিৰ দেশ হিচাপে গঢ়ি তোলাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। শ্ৰীমতী মুৰ্মুৱে কয় যে চৰকাৰে ইয়াৰ আঁচনিসমূহৰ ফলাফলসমূহ যাতে সকলোৱে লাভ কৰিব পাৰে, সেইটো সুনিশ্চিত কৰাৰ লক্ষ্যৰে কাম কৰি আছে আৰু প্ৰধানমন্ত্ৰী গ্ৰামীণ চড়ক যোজনাৰ অধীনত গ্ৰামাঞ্চলক সংযোগ কৰাৰ বাবে ৩ দশমিক ৮ লাখ কিলোমিটাৰ গ্ৰাম্য পথ নিৰ্মাণ কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে শুকুৰবাৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিবেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। কাইলৈ সন্ধিয়া ৭ বজা পৰ্যন্ত অডিঅ' প্ৰেৰণ কৰিব পাৰিব। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

০০০০০

দেশৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে বিভিন্ন ৰাজ্যৰ লগতে অসমৰ নগাঁৱতো অহা ২৯ জুলাইৰ পৰা ৩ আগষ্টলৈ লোক আদালত অনুষ্ঠিত হ'ব। ছদিনীয়াকৈ আয়োজন কৰা বিশেষ লোক আদালতত দ্ৰুত আপোচ আৰু বিবাদ নিষ্পত্তি, চূড়ান্ত আৰু কাৰ্যকৰী নিষ্পত্তি, কম খৰচত বিবাদ নিষ্পত্তি, আদালতৰ মাচুল ঘূৰাই দিয়া আদি বিষয়সমূহত গুৰুত্ব দিয়া হ'ব। এই সন্দৰ্ভত সবিশেষ তথ্য উচ্চতম ন্যায়ালয়ৰ ৱেবছাইটত উপলভ্য কৰা হ'ব।

০০০০০

নাগালেণ্ডত কালি অনুষ্ঠিত নগৰীয়া নিগম নিকায়ৰ নিৰ্বাচনত ৮৩ দশমিক ৫-৪ শতাংশ ভোটদান হয়। ৰাজ্যখনৰ তিনিখন পৌৰসভা আৰু ২১ খন জিলা পৰিষদৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হৈছিল। ২০ বছৰৰ বিৰতিৰ পাছত অনুষ্ঠিত এই নিৰ্বাচনত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ কৰা হৈছিল। নিৰ্বাচনত ২১৪ টা ৱাৰ্ডৰ ৪২০ টা কেন্দ্ৰত ভোটগ্ৰহণ কৰা হৈছিল। ৩২৫ গৰাকী পুৰুষ আৰু ১৯৮ গৰাকী মহিলাকে ধৰি মুঠ ৫২৩ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হৈছিল।

০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি নিশা গায়ানাৰ প্ৰভিডেন্স ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন ছেমি ফাইনেলত ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত সুন্দৰ প্ৰদৰ্শন আগবঢ়াই ভাৰতে এতিয়ালৈকে আটাইকেইখন খেলতে জয়লাভ কৰিছে।

ত্ৰিনিদাদৰ ব্ৰায়ন লাৰা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই আফগানিস্তানক ৯ উইকেটত পৰাস্ত কৰে। ৫৭ ৰানৰ বিজয়ৰ লক্ষ্যৰে খেলি দক্ষিণ আফ্ৰিকাই ৮ অ'ভাৰ ৫টা বলত এটা উইকেটৰ বিনিময়ত ৬০ ৰান কৰি জয়লাভ কৰে। ইয়াৰ পূৰ্বে আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰি ১১ অ'ভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৫৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত এতিয়ালৈকে এইটোৱেই সৰ্বনিম্ন স্ক'ৰ। বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত দক্ষিণ আফ্ৰিকাই প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখযোগ্য যে, প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন শনিবাৰে বাৰবাডোছৰ ব্ৰীজটাউনত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত